**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-SEPTEMBER-2026
**Time :** 12.05 PM

## ASSAMESE 12.05 PM BULLETIN

---

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন উপলক্ষে আজিৰেপৰা সেৱা সমৰ্পন মাহ।

২। মুখ্যমন্ত্ৰী আন্তনিৰ্ভৰ অসম অভিযানৰ অধীনত হিতাধিকাৰীৰ মাজত আৰ্থিক সাহায্য বিতৰণ।

৩। ৰাজ্যত মাদক দ্ৰব্যমুক্ত আৰু শক্তিশালী সমাজ গঢ়াৰ সংকল্পৰে বিশেষ গণ জাগৰণ পদযাত্ৰা কাৰ্যসূচী।

আৰু

৪। নতুন দিল্লীত আজি ভাৰত আৰু আফগানিস্তানৰ মাজৰ টী-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন তথা গুজৰাটৰ মুখ্যমন্ত্ৰী আৰু প্ৰধানমন্ত্ৰীৰূপে কাৰ্যনিৰ্বাহ কৰাৰ মুঠ ২৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আজিৰেপৰা সেৱা সমৰ্পন মাহৰ আয়োজন কৰা হৈছে। এই উপলক্ষে দেশৰ প্ৰান্তে প্ৰান্তে সেৱা সংকল্প অভিযানৰ অধীনত ভালেসংখ্যক কাৰ্যসূচী লোৱা হৈছে। এই উপলক্ষে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি গুজৰাটত এটা মটৰ চাইকেল সমদল উলিয়াব। প্ৰধানমন্ত্ৰী মোদীৰ সংসদীয় সমষ্টি বাৰাণসীতো এই উপলক্ষে কাৰ্যসূচী গ্ৰহণ কৰা হ'ব। দিল্লী চৰকাৰে সেৱা সমৰ্পণ মাহৰ শুভাৰম্ভণি উপলক্ষে আজি কেইবাটাও কাৰ্যসূচী ৰূপায়ণ কৰিব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি ৭৬ সংখ্যক জন্মদিন উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাকে ধৰি বিভিন্নজনে নেতাগৰাকীলৈ শুভেচ্ছা জনাইছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে সামাজিক মাধ্যমযোগে কয়, যে প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁৰ ব্যক্তিত্ব আৰু কৰ্মৰাজিৰে দেশৰ সমৃদ্ধি আৰু মৰ্যাদা বৃদ্ধি কৰিছে। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত শ্ৰী মোদীক শুভেচ্ছা জ্ঞাপন কৰি কয়, যে প্ৰধানমন্ত্ৰীগৰাকীৰ নেতৃত্বত ভাৰত বিশ্বৰ অন্যতম দ্ৰুত বিকশিত অৰ্থনীতি হিচাপে পৰিগণিত হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসমবাসীৰ হৈ প্ৰধানমন্ত্ৰীগৰাকীলৈ জন্মদিনৰ শুভেচ্ছা জ্ঞাপন কৰিছে। তেওঁ কয়, যে শ্ৰী মোদীয়ে ১৪০ কোটি ভাৰতীয়ৰ আশা-আকাংক্ষাক বাস্তৱায়িত কৰি উন্নয়ন আৰু আত্মনিৰ্ভশীলতাৰ নতুন যুগৰ সূচনা কৰিছে। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতি তেওঁৰ দায়বদ্ধতা সদায় প্ৰেৰণাৰ উৎস বুলি মুখ্যমন্ত্ৰীয়ে কয়। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু পৱিত্ৰ মাৰ্ঘেৰিটাইও প্ৰধানমন্ত্ৰী মোদীৰ জন্মদিন উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰিছে।

দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো আজিৰে পৰা অহা ১৭ অক্টোবৰলৈ কুইজ, আবৃত্তি প্ৰতিযোগিতাকে ধৰি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হ'ব। প্ৰধানমন্ত্ৰী মোদীৰ জন্মদিন উপলক্ষে আজি সন্ধিয়া মাটিৰ চাকি জ্বলাবলৈ অসমবাসীক মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যম যোগে আহ্বান জনাইছে।

ৰাজ্য চৰকাৰে গ্ৰহণ কৰা **সেৱা সমৰ্পন মাহ**ৰ অংশস্বৰূপে তামুলপুৰ জিলাতো বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হৈছে।

**সেৱা সমৰ্পন মাহ** উপলক্ষে শিৱসাগৰ জিলা প্ৰশাসনেও কাৰ্যসূচী ৰূপায়ণ কৰিছে।

অসম গণ পৰিষদ দলৰ বৰপেটা জিলা সমিতিয়ে প্ৰধানমন্ত্ৰী মোদীৰ ৭৬ সংখ্যক জন্মদিনৰ লগত সংগতি ৰাখি আজি সমিতিৰ কাৰ্যালয়ত সৰ্বধৰ্ম প্ৰাৰ্থনা সভাৰ আয়োজন কৰিছে। সন্ধিয়াৰ ভাগলৈ ৰূপায়ণ কৰিবলগীয়া বন্তি প্ৰজ্বলন কাৰ্যসূচীত বৰপেটাৰ বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট লোকসকলে অংশগ্ৰহণ কৰাৰ কথা।

পশ্চিম কাৰ্বি আংলং জিলাৰ লেঙেৰিস্থিত কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ ১২৮ নম্বৰ ডেল্টা কোম্পানীৰ উদ্যোগত আজি প্ৰধানমন্ত্ৰীৰ জন্মদিন উপলক্ষে চাফাই অভিযান আৰু গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

০০০০০০

মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযানৰ প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ অধীনত আজি হিতাধিকাৰীসকলৰ মাজত আৰ্থিক সাহায্য বিতৰণ কৰা হয়। গুৱাহাটীৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই এই অভিযানৰ অধীনত মুঠ ৮২ হাজাৰ ২১৯ গৰাকী হিতাধিকাৰীক ২৭৮ কোটিৰো অধিক টকাৰ সাহায্য বিতৰণ কৰে।

০০০০০০

নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰসমূহ আজি পৰীক্ষা কৰা হ'ব। এই নিৰ্বাচনৰ বাবে ২৫ গৰাকী প্ৰাৰ্থীয়ে ৩৫ খন মনোনয়ন দাখিল কৰিছে। ইচ্ছুক প্ৰাৰ্থীসকলে পৰহিলৈৰ ভিতৰত মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰিব পাৰিব। মনোনয়ন দাখিল কৰা প্ৰাৰ্থীসকলৰ ভিতৰত বিজেপিৰ দেৱাশিস শৰ্মা, কংগ্ৰেছৰ শিৱামণি বৰা, এ আই ইউ ডি এফৰ বদৰুদ্দিন আজমল আৰু তৃণমূল কংগ্ৰেছৰ আব্দুল চালাম অন্যতম। মনোনয়ন পত্ৰ দাখিলৰ কালি অন্তিম দিনা বিজেপিৰ প্ৰাৰ্থী দেৱাশীষ শৰ্মাই দলীয় নেতা-কৰ্মীক লগত লৈ নগাঁও জিলা আয়ুক্ত তথা ৰিটাৰ্নিং বিষয়াৰ ওচৰত মনোনয়ন দাখিল কৰে। বিজেপি প্ৰাৰ্থী দেৱাশিস শৰ্মাৰ সৈতে মনোনয়ন পত্ৰ দাখিল পৰ্বত বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, মন্ত্ৰী পীযুষ হাজৰিকাকে ধৰি শীৰ্ষ নেতৃবৰ্গই অংশগ্ৰহণ কৰে।

কংগ্ৰেছ প্ৰাৰ্থী শিৱামণি বৰাই নগাঁও জিলা কংগ্ৰেছ কাৰ্যালয়ৰ পৰা সমদলেৰে জিলা আয়ুক্ত তথা ৰিটাৰ্নিং বিষয়াৰ কাৰ্যালয়লৈ গৈ মনোনয়ন দাখিল কৰে। মনোনয়ন দাখিল পৰ্বত অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈ, সাংসদ ৰকিবুল হুছেইনসহ দলটোৰ কেইবাগৰাকী শীৰ্ষ নেতা উপস্থিত থাকে। কংগ্ৰেছৰ সভাপতিগৰাকীয়ে এই নিৰ্বাচনক লৈ আশাবাদী বুলি প্ৰকাশ কৰে।

এ আই ইউ ডি এফৰ প্ৰাৰ্থী বদৰুদ্দিন আজমলেও ধিং গে'টত থকা নগাঁও জিলা কাৰ্যালয়ৰ পৰা দলীয় সমৰ্থক আৰু কৰ্মকৰ্তাসকলক লৈ মনোনয়ন দাখিল কৰে। দলটোৰ সাধাৰণ সম্পাদক হাফিজ ৰচিৰ আহমেদ, দলৰ আটাইকেইগৰাকী বিধায়ক-প্ৰাক্তন বিধায়কে আজমলক সংগ দিয়ে। তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থী আব্দুল ছালামে মনোনয়ন পত্ৰ দাখিলৰ সময়ত মন্দিয়াৰ বিধায়ক চেৰমান আলী আহমেদ উপস্থিত থাকে।

উল্লেখযোগ্য যে অহা ৬ অক্টোবৰত নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। ৯ অক্টোবৰত ভোটগণনা কৰা হ'ব।

০০০০০০

ৰাজ্যত মাদক দ্ৰব্যমুক্ত আৰু শক্তিশালী সমাজ গঢ়াৰ সংকল্পৰে বিশেষ গণ জাগৰণ পদযাত্ৰা কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ লোৱা হৈছে। আজিৰ পৰা ২ অক্টোবৰলৈ ৰূপায়ণ কৰিবলগীয়া ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ এই পদযাত্ৰাত ১০ খন জিলা সামৰি লোৱা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই কাৰ্যসূচীৰ প্ৰতি আদৰণি জনাইছে। মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত যুৱ প্ৰজন্মক নিচাযুক্ত দ্ৰব্যৰ কৱলৰ পৰা মুক্ত কৰি এখন সুস্থ আৰু নিৰোগী সমাজ গঢ়াৰ লক্ষ্যৰে গ্ৰহণ কৰা এই পদযাত্ৰা কাৰ্যসূচী সকলোৰে সহযোগিতা কামনা কৰিছে।

০০০০০০

জনতাৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতি সন্মান জনাই তেওঁৰ সৃষ্টিৰাজি উদযাপনৰ বাবে ১৯ ছেপ্তেম্বৰত ৰাজ্যজুৰি জুবিন দিৱস পালনৰ অংশহিচাপে আজিৰেপৰা তিনিদিনীয়া কাৰ্যসূচী লোৱা হৈছে। কলাগুৰু আৰ্টিষ্ট ফাউণ্ডেচন, জুবিন গাৰ্গ ন্যাসকে ধৰি বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ উদ্যোগত আৰু সাংস্কৃতিক সঞ্চালকালয়ৰ সহযোগত সোণাপুৰৰ জুবিন ক্ষেত্ৰত আজিৰেপৰা এই দিৱস পালন কৰা হৈছে। জুবিন গাৰ্গৰ পত্নী গৰিমা গাৰ্গে আজি জুবিন ক্ষেত্ৰত আয়োজিত সৰ্বধৰ্ম প্ৰাৰ্থনা সভাত অংশগ্ৰহণ কৰে। এই উপলক্ষে তেওঁ এইদৰে কয় –

বাইট

জুবিন দিৱসৰ কাৰ্যসূচীৰ অংশ হিচাপে কাইলৈ সাংস্কৃতিক অনুষ্ঠান, পৰহিলৈ গুৰু আসন প্ৰতিষ্ঠা, ভাগৱত পাঠৰ লগতে নিশালৈ ভাওনাৰ ব্যৱস্থা কৰা হৈছে।

০০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে অহা শনিবাৰে নিশা ৮ বাজি ২ মিনিটত **জুবিন মনন** শীৰ্ষক জুবিন গাৰ্গ বিষয়ক এটি দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত বিশিষ্ট সংগীত শিল্পী দিগন্ত ভাৰতী, জুবিন গাৰ্গৰ ভগ্নী পামি বৰঠাকুৰ আৰু আকাশবাণীৰ ঘোষক তথা জনপ্ৰিয় কণ্ঠশিল্পী মনদীপ মহন্তই অংশ ল'ব। অনুষ্ঠানটিৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

০০০০০০

ৰাজ্যৰ ৩৩ খন জিলাত লোকপিয়লৰ প্ৰথম পৰ্যায়ৰ কাম সম্পূৰ্ণ হৈছে। বান ক্ষতিগ্ৰস্ত চৰাইদেউ আৰু শিৱসাগৰ জিলাত কাইলৈ লোকপিয়লৰ প্ৰথম পৰ্যায়ৰ কাম আৰম্ভ হ'ব। জিলা দুখনত মাহজোৰা কাৰ্যসূচীৰে এই প্ৰক্ৰিয়া চলিব। চৰাইদেউ আৰু শিৱসাগৰ জিলাত বানৰ পৰিপ্ৰেক্ষিতত লোকপিয়লৰ কাম সাময়িকভাৱে স্থগিত আছিল। লোকপিয়ল সঞ্চালকালয়ে বান পৰিস্থিতি উন্নত হোৱাৰ পাছত জিলা দুখনত লোকপিয়লৰ কাম আৰম্ভ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। প্ৰথম পৰ্যায়ত গণনাকাৰী সকলে ঘৰে ঘৰে গৈ গৃহ তালিকা প্ৰস্তুত আৰু গৃহ গণনা প্ৰক্ৰিয়া সম্পন্ন কৰিব।

০০০০০০

শিৱসাগৰৰ কাংকান নগৰৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত কালি আৰক্ষীয়ে মাদকদ্ৰব্যসহ দুজন সৰবৰাহকাৰীক আটক কৰে। লোক দুজনৰ পৰা আৰক্ষীয়ে প্ৰায় ৮০ গ্ৰাম মাদকদ্ৰব্যৰ লগতে এখন স্কুটী

জব্দ কৰে। শিৱসাগৰৰ আৰক্ষী উপ-পৰিদৰ্শক দেৱাশিস শৰ্মাৰ নেতৃত্বত চলোৱা এই অভিযানত লোক দুজনক আটক কৰা হয়।

০০০০০০

ভাৰত আৰু আফগানিস্তানৰ মাজৰ টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল আজি নতুন দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত অনুষ্ঠিত হব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হব। ভাৰতে প্ৰথম দুখন খেলত জয়লাভ কৰি ইতিমধ্যে শৃংখলাত ২-০ ফলাফলেৰে অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰিছে। ভাৰতে প্ৰথমখন খেলত অভিষেক শৰ্মাৰ সুন্দৰ প্ৰদৰ্শনৰ বলত জয়লাভ কৰাৰ বিপৰীতে দ্বিতীয়খন খেলত সঞ্জু ছেমছনে ২২ টা বলত ৫৭ ৰান কৰি ভাৰতীয় দলৰ সহজ জয় নিশ্চিত কৰি তোলে।

০০০০০০

**সমাপ্ত**